# 3 (Sem–3/CBCS) POL–HG 1/2/3/RC

## 2023

## POLITICAL SCIENCE

## ( Honours Generic/Regular )

Paper : POL–HG/RC–3016/3026/3036

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

Answer from *either* Option—A *or* Option—B *or* Option—C

*Answer* either *in English* or *in Assamese*

### OPTION—A

Paper : POL–HG/RC–3016

**( Comparative Government and Politics )**

**1.** Answer the following as directed : 1×10=10

তলত দিয়াবোৰ নিৰ্দেশ কৰা ধৰণে উত্তৰ দিয়া :

*(a)* Who is known as the father of comparative politics?

তুলনামূলক ৰাজনীতিৰ পিতৃ হিচাপে কাক জনা যায় ?

*(b)* Who is the author of the book, *Essentials of Comparative Politics*?

*Essentials of Comparative Politics* নামৰ গ্ৰন্থখনৰ ৰচক কোন ?

*(c)* "Democracy is a government of the people, by the people and for the people." Who said this?
"গণতন্ত্র হ'ল জনসাধাৰণক লৈ গঠিত, জনসাধাৰণৰ দ্বাৰা আৰু জনসাধাৰণৰ বাবে পৰিচালিত চৰকাৰ।" কথাষাৰ কোনে কৈছিল?

*(i)* Abraham Lincoln
আব্ৰাহাম লিংকন

*(ii)* Lord Bryce
লৰ্ড ব্ৰাইচ

*(iii)* John Austin
জন অষ্টিন

*(iv)* A. V. Dicey
এ. ভি. ডাইচি

( Choose the correct answer )
( শুদ্ধ উত্তৰটো বাছি উলিওৱা )

*(d)* Who is the real executive of presidential system of governance?
ৰাষ্ট্ৰপতীয় শাসন ব্যৱস্থাত দেশৰ প্ৰকৃত কাৰ্যপালিকা কোন?

*(e)* Name a State having unitary government system.
একাত্মক শাসনব্যৱস্থা থকা এখন দেশৰ নাম লিখা।

*(f)* Write the name of the political party of China.
চীনৰ ৰাজনৈতিক দলটোৰ নাম লিখা।





*(g)* In a parliamentary government system, the executive is responsible to legislature.
( Write True or False )
সংসদীয় শাসন ব্যৱস্থাত কাৰ্যপালিকা বিধানমণ্ডলৰ ওচৰত দায়বদ্ধ থাকে।
( সত্য নে অসত্য লিখা )

*(h)* Which electoral system has the feature of single member-single constituency?
এটা সমষ্টি-এজন প্ৰাৰ্থী—এইটো বৈশিষ্ট্য কোনটো নিৰ্বাচনী ব্যৱস্থাৰ লগত প্ৰযোজ্য?

*(i)* There are _____ party system in India.
( Fill in the blank )
ভাৰতবৰ্ষত _____ দলীয় ব্যৱস্থা আছে।
( খালী ঠাই পূৰণ কৰা )

*(j)* Write the full form of HDI.
HDI ৰ সম্পূৰ্ণ ৰূপটো লিখা।

**2.** Answer the following questions : 2×5=10
তলত দিয়া প্ৰশ্নবোৰৰ উত্তৰ দিয়া :

*(a)* Write two differences between comparative government and comparative politics.
তুলনামূলক চৰকাৰ আৰু তুলনামূলক ৰাজনীতিৰ মাজৰ দুটা পাৰ্থক্য লিখা।

(b) Write two demerits of traditional approach.
পৰম্পৰাগত দৃষ্টিভংগীৰ দুটা দোষ লিখা।

(c) Write two features of parliamentary system of governance.
সংসদীয় শাসন ব্যৱস্থাৰ দুটা বৈশিষ্ট্য লিখা।

(d) Mention two powers of the President of China.
চীনৰ ৰাষ্ট্ৰপতিৰ দুটা ক্ষমতা উল্লেখ কৰা।

(e) Mention two features of multiparty system.
বহুদলীয় ব্যৱস্থাৰ দুটা বৈশিষ্ট্য উল্লেখ কৰা।

3. Answer any *four* of the following questions : 5×4=20
তলত দিয়া প্ৰশ্নবোৰৰ যি কোনো চাৰিটাৰ উত্তৰ দিয়া :

(a) Write the methods of direct democracy.
প্ৰত্যক্ষ গণতন্ত্ৰৰ পদ্ধতিসমূহ লিখা।

(b) Distinguish between King and Crown in England.
ইংলেণ্ডৰ ৰজা আৰু ৰাজসত্তাৰ মাজত থকা পাৰ্থক্য দেখুওৱা।

(c) Write the features of federal system.
যুক্তৰাষ্ট্ৰীয় শাসন ব্যৱস্থাৰ বৈশিষ্ট্যসমূহ লিখা।





(d) Mention the merits and demerits of mixed electoral system.
মিশ্ৰ নিৰ্বাচনী ব্যৱস্থাৰ দোষ-গুণসমূহ উল্লেখ কৰা।

(e) Write about the merits of multiparty system.
বহুদলীয় ব্যৱস্থাৰ গুণসমূহৰ বিষয়ে লিখা।

(f) Write about the challenges of human-centric security.
মানৱকেন্দ্ৰিক নিৰাপত্তাৰ প্ৰত্যাহ্বানসমূহৰ বিষয়ে লিখা।

4. Answer the following questions : 10×4=40
তলত দিয়া প্ৰশ্নবোৰৰ উত্তৰ দিয়া :

(a) What do you mean by comparative politics? Discuss its nature and scope.
তুলনামূলক ৰাজনীতি বুলিলে কি বুজা? ইয়াৰ প্ৰকৃতি আৰু পৰিসৰ আলোচনা কৰা।

*Or / অথবা*

Make a comparative study between authoritarian regime and democratic regime.
কৰ্তৃত্ববাদী শাসন আৰু গণতান্ত্ৰিক শাসনৰ মাজত তুলনামূলক আলোচনা কৰা।

(b) What is presidential system? Discuss the differences between parliamentary and presidential government.
ৰাষ্ট্ৰপতীয় শাসনব্যৱস্থা কি? সংসদীয় আৰু ৰাষ্ট্ৰপতীয় চৰকাৰৰ মাজত থকা পাৰ্থক্যসমূহ আলোচনা কৰা।

*Or* / *অথবা*

What is unitary system? Discuss the features of government system of China.

একাত্মক শাসনব্যৱস্থা কি? চীনৰ শাসনব্যৱস্থাৰ বৈশিষ্ট্যসমূহ আলোচনা কৰা।

*(c)* What is electoral system? Discuss the merits and demerits of first-past-the-post system.

নিৰ্বাচনী ব্যৱস্থা কি? প্ৰথমে চেৰাই যোৱা পদ পদ্ধতিৰ দোষ-গুণসমূহ আলোচনা কৰা।

*Or* / *অথবা*

Define political party. Discuss the functions of political party.

ৰাজনৈতিক দলৰ সংজ্ঞা দিয়া। ৰাজনৈতিক দলৰ কাৰ্যাৱলী আলোচনা কৰা।

*(d)* What is State-centric security? Discuss the differences between Human-centric security and State-centric security.

ৰাষ্ট্ৰকেন্দ্ৰিক নিৰাপত্তা কি? মানৱকেন্দ্ৰিক নিৰাপত্তা আৰু ৰাষ্ট্ৰকেন্দ্ৰিক নিৰাপত্তাৰ মাজত থকা পাৰ্থক্যসমূহ আলোচনা কৰা।

*Or* / *অথবা*

Discuss the evolution of democratic regime.

গণতান্ত্ৰিক শাসন পদ্ধতিৰ বিকাশ সম্পৰ্কে আলোচনা কৰা।





OPTION—B

Paper : POL–HG–3026

**( Gandhi and the Contemporary World )**

**1.** Answer the following as directed : 1×10=10

তলত দিয়াবোৰ নিৰ্দেশ কৰা ধৰণে উত্তৰ দিয়া :

*(a)* Name a book written by Mahatma Gandhi.

মহাত্মা গান্ধীয়ে লিখা এখন গ্ৰন্থৰ নাম লিখা।

*(b)* When was the Gandhi-Irwin Pact signed?

গান্ধী-আৰউইন চুক্তি কেতিয়া সম্পাদন কৰা হৈছিল?

*(c)* Mention the place where Gandhi launched his Satyagraha Movement in India.

ভাৰতবৰ্ষৰ কোন ঠাইত গান্ধীজীয়ে তেওঁৰ সত্যাগ্ৰহ আন্দোলন আৰম্ভ কৰিছিল, উল্লেখ কৰা।

*(d)* Gandhi believed in unity of ends and means.

( Write True or False )

গান্ধীয়ে প্ৰক্ৰিয়া আৰু ফলাফলৰ একতাক বিশ্বাস কৰিছিল। ( সত্য নে অসত্য লিখা )

*(e)* Which of the following, according to Gandhiji, is an essential principle of Satyagraha?

গান্ধীজীৰ মতে তলৰ কোনটো সত্যাগ্ৰহৰ এক অপৰিহাৰ্য সিদ্ধান্ত ?

*(i)* Infinite capacity for suffering
সহনশীলতাৰ অপৰিসীম ক্ষমতা

*(ii)* Non-violence
অহিংসা

*(iii)* Truth
সত্য

*(iv)* All of the above
ওপৰৰ গোটেইকেইটা

( Choose the correct answer )
( শুদ্ধ উত্তৰটো বাছি উলিওৱা )

*(f)* Who wrote the book, *Unto This Last*?

*Unto This Last* গ্ৰন্থখন কোনে লিখিছিল ?

*(g)* Name the weekly paper published by M. K. Gandhi in 1933 to promote anti-untouchability campaign.

অস্পৃশ্যতা বিৰোধী প্ৰচাৰ কৰিবলৈ ১৯৩৩ চনত মহাত্মা গান্ধীয়ে প্ৰকাশ কৰা সাপ্তাহিক বাতৰি-কাকতখনৰ নাম লিখা।





*(h)* Quit India Resolution was passed in _____ Session of All India Congress Committee.

( Fill in the blank )

সৰ্বভাৰতীয় কংগ্ৰেছ কমিটিৰ _____ অধিবেশনত ভাৰত ত্যাগ প্ৰস্তাৱ গ্ৰহণ কৰা হৈছিল।

( খালী ঠাই পূৰণ কৰা )

*(i)* Name a leader associated with Narmada Bachao Andolan.
নৰ্মদা বচাও আন্দোলনৰ লগত জড়িত এজন নেতা/নেত্ৰীৰ নাম লিখা।

*(j)* Name a goal of Gandhian model of development.
গান্ধীৰ বিকাশৰ আৰ্হিৰ এটা লক্ষ্য উল্লেখ কৰা।

**2.** Answer the following questions : 2×5=10
তলত দিয়া প্ৰশ্নবোৰৰ উত্তৰ দিয়া :

*(a)* Write on the theory of oceanic circle of Gandhiji.
গান্ধীজীৰ সামুদ্ৰিক বৃত্তৰ তত্ত্বৰ ওপৰত লিখা।

*(b)* Write two principles of economic development suggested by Mahatma Gandhi.
মহাত্মা গান্ধীয়ে দিয়া অৰ্থনৈতিক বিকাশৰ দুটা সিদ্ধান্ত লিখা।

*(c)* Write two features of Gandhi's education system.
গান্ধীৰ শিক্ষা ব্যৱস্থাৰ দুটা বৈশিষ্ট্য লিখা।

*(d)* Why and when was the Poona Pact signed?
পুণা চুক্তি কেতিয়া আৰু কিয় হৈছিল?

*(e)* What is Gandhi's idea of Swadeshi?
গান্ধীৰ স্বদেশীৰ ধাৰণা কি?

**3.** Write notes on/Answer any *four* of the following : 5×4=20
তলত দিয়াবোৰৰ যি কোনো চাৰিটাৰ ওপৰত টোকা লিখা/উত্তৰ দিয়া :

*(a)* Gandhiji's concept of trusteeship
গান্ধীজীৰ ন্যাসৰ ধাৰণা

*(b)* Write shortly on the theory advanced by M. K. Gandhi for conceptualizing the decentralization system of rule.
শাসন বিকেন্দ্ৰীকৰণৰ পদ্ধতিৰ বাবে গান্ধীজীয়ে দিয়া তত্ত্বটো চমুকৈ লিখা।

*(c)* Write Gandhi's view on women's question.
মহিলা সম্বন্ধীয় প্ৰশ্নৰ ওপৰত গান্ধীৰ দৃষ্টিভঙ্গীটো লিখা।

*(d)* Write Gandhi's bread and labour theory.
গান্ধীৰ ৰুটি আৰু শ্ৰম তত্ত্বটো লিখা।





*(e)* Mahatma Gandhi as a political saint
এজন ৰাজনৈতিক সন্ন্যাসী হিচাপে মহাত্মা গান্ধী

*(f)* Gandhigiri
গান্ধীগিৰি

**4.** Answer the following questions : 10×4=40
তলত দিয়া প্ৰশ্নবোৰৰ উত্তৰ দিয়া :

*(a)* By offering an ideological critique of the western civilization, Mahatma Gandhi presented an alternative way of development. Explain.
পাশ্চাত্য সভ্যতাৰ মতাদৰ্শিক আলোচনা কৰি মহাত্মা গান্ধীয়ে বিকাশৰ এক বৈকল্পিক অৱধাৰণা প্ৰস্তুত কৰিছে। ব্যাখ্যা কৰা।

*Or / অথবা*

What is Satyagraha? Distinguish between Passive resistance and Satyagraha.
সত্যাগ্ৰহ কি? নিষ্ক্ৰিয় প্ৰতিৰোধ আৰু সত্যাগ্ৰহৰ মাজৰ পাৰ্থক্য দেখুওৱা।

*(b)* What is Gandhi's view on untouchability? Explain the measures taken by Gandhi to eliminate the problem of untouchability.
অস্পৃশ্যতা সম্পৰ্কে গান্ধীৰ মতামত কি? অস্পৃশ্যতাৰ সমস্যা সমাপ্তিৰ বাবে মহাত্মা গান্ধীৰ দ্বাৰা লোৱা উপায়সমূহ ব্যাখ্যা কৰা।

*Or / অথবা*

Discuss Gandhi's ideas on communal unity.
সাম্প্ৰদায়িক একতাৰ ওপৰত গান্ধীৰ মতামতসমূহ আলোচনা কৰা।

*(c)* What does Swaraj mean to Mahatma Gandhi? Describe the essential nature of Gram Swaraj visualized by Gandhi.
মহাত্মা গান্ধীৰ বাবে স্বৰাজ মানে কি? গান্ধীৰ দ্বাৰা কল্পিত গ্ৰাম স্বৰাজৰ মূল প্ৰকৃতি বৰ্ণনা কৰা।

*Or / অথবা*

Do you agree that Gandhian concept of Swadeshi is relevant in contemporary world? Give argument.
সমসাময়িক বিশ্বত গান্ধীজীৰ স্বদেশী ধাৰণাটোৰ প্ৰাসঙ্গিকতা আছে বুলি তুমি সমৰ্থন কৰানে? যুক্তি দিয়া।

*(d)* Explain briefly the philosophical foundation of Gandhian political philosophy.
গান্ধীৰ ৰাজনৈতিক দৰ্শনৰ দাৰ্শনিক আধাৰ সম্পৰ্কে চমুকৈ ব্যাখ্যা কৰা।

*Or / অথবা*

Write a note on Anti-Racism Movement.
বৰ্ণবাদ প্ৰতিৰোধী আন্দোলনৰ ওপৰত এটি টোকা লিখা।





OPTION—C

Paper : POL–HG–3036

**( United Nations and Global Conflicts )**

**1.** Answer the following as directed : 1×10=10
তলত দিয়াবোৰৰ নিৰ্দেশ অনুযায়ী উত্তৰ দিয়া :

*(a)* What is the full form of UNEP?
UNEPৰ সম্পূৰ্ণ ৰূপটো কি?

*(b)* UN Decade of Education for Sustainable Development is
বহনক্ষম উন্নয়নৰ বাবে ৰাষ্ট্ৰসংঘৰ শিক্ষাৰ দশক হ'ল

*(i)* 2005–2014
২০০৫–২০১৪

*(ii)* 2010–2019
২০১০–২০১৯

*(iii)* 2020–2029
২০২০–২০২৯

( Choose the correct answer )
( শুদ্ধ উত্তৰটো বাছি উলিওৱা )

*(c)* On which date the International Day of Yoga is celebrated under the proclamation of the UN?
ৰাষ্ট্ৰসংঘই জাৰি কৰা কোনটো দিনত আন্তঃৰাষ্ট্ৰীয় যোগ দিবস পালন কৰা হয়?

*(d)* ILO was formed in the year 1925/ 1939/1919.

( Choose the correct answer )

ILO গঠন হোৱা চনটো হ'ল ১৯২৫/১৯৩৯/১৯১৯।

( শুদ্ধ উত্তৰটো বাছি উলিওৱা )

*(e)* Which one of the following MDGs is about ensuring environmental sustainability?

তলত উল্লেখ কৰা সহস্ৰাব্দৰ উন্নয়নৰ কোনটো লক্ষ্যই পৰিৱেশৰ বহনক্ষমতাৰ বিষয় সুনিশ্চিত কৰিছে?

*(i)* Goal 1 / লক্ষ্য ১

*(ii)* Goal 4 / লক্ষ্য ৪

*(iii)* Goal 7 / লক্ষ্য ৭

( Choose the correct answer )

( শুদ্ধ উত্তৰটো বাছি উলিওৱা )

*(f)* Where is the Headquarters of WHO?

WHO ৰ মুখ্য কাৰ্যালয় ক'ত অৱস্থিত?

*(g)* How many official languages does the UN have?

ৰাষ্ট্ৰসংঘৰ কিমানটা চৰকাৰী ভাষা আছে?

*(i)* 5 / ৫টা

*(ii)* 6 / ৬টা

*(iii)* 7 / ৭টা

( Choose the correct answer )

( শুদ্ধ উত্তৰটো বাছি উলিওৱা )





*(h)* Which organ is commonly known as 'UN family'?

সাধাৰণতে 'ৰাষ্ট্ৰসংঘৰ পৰিয়াল' হিচাপে কোনটো অংগক জনা যায়?

*(i)* Economic and Social Council
অৰ্থনৈতিক আৰু সামাজিক পৰিষদ

*(ii)* Security Council
সুৰক্ষা পৰিষদ (নিৰাপত্তা)

*(iii)* General Assembly
সাধাৰণ সভা

( Choose the correct answer )

( শুদ্ধ উত্তৰটো বাছি উলিওৱা )

*(i)* Which organ is called the 'town meeting of the world'?

'বিশ্ব নগৰ সভা' হিচাপে কোনটো অংগক কোৱা হয়?

*(i)* Security Council
সুৰক্ষা পৰিষদ (নিৰাপত্তা)

*(ii)* Secretariate
সচিবালয়

*(iii)* General Assembly
সাধাৰণ সভা

( Choose the correct answer )

( শুদ্ধ উত্তৰটো বাছি উলিওৱা )

(j) The UN Day celebrated every year on
প্ৰতি বছৰ ৰাষ্ট্ৰসংঘ দিবস পালন কৰা হয়

(i) 24th September
২৪ চেপ্তেম্বৰ

(ii) 28th September
২৮ চেপ্তেম্বৰ

(iii) 24th October
২৪ অক্টোবৰ

( Choose the correct answer )
( শুদ্ধ উত্তৰটো বাছি উলিওৱা )

**2.** Answer the following questions very briefly : 2×5=10

তলত দিয়া প্ৰশ্নবোৰৰ অতি চমু উত্তৰ দিয়া :

(a) Write the full forms of UNICEF and UNESCO.
UNICEF আৰু UNESCO ৰ সম্পূৰ্ণ ৰূপ লিখা।

(b) Name any two permanent members of the UN Security Council.
ৰাষ্ট্ৰসংঘৰ নিৰাপত্তা পৰিষদৰ যি কোনো দুখন স্থায়ী সদস্য ৰাষ্ট্ৰৰ নাম লিখা।

(c) What is the UN Charter?
ৰাষ্ট্ৰসংঘৰ চনদ কি?





(d) Mention any two aims and objectives of ILO.
বিশ্ব শ্ৰমিক সংস্থাৰ যি কোনো দুটা লক্ষ্য আৰু উদ্দেশ্য উল্লেখ কৰা।

(e) Mention any two functions of WHO.
বিশ্ব স্বাস্থ্য সংস্থাৰ যি কোনো দুটা কাৰ্যসূচী উল্লেখ কৰা।

**3.** Answer any *four* of the following : 5×4=20

তলত দিয়াবোৰৰ যি কোনো চাৰিটাৰ উত্তৰ দিয়া :

(a) What were the goals of the UN when it was established in 1945?
১৯৪৫ চনত ৰাষ্ট্ৰসংঘ গঠন হোৱাৰ সময়ছোৱাত ইয়াৰ কেনেকুৱা ধৰণৰ লক্ষ্যসমূহ আছিল?

(b) Mention the importance of MDGs with reference to its Goal No. 1.
সহস্ৰাব্দৰ উন্নয়নৰ লক্ষ্য হিচাপে ইয়াৰ প্ৰথমটো লক্ষ্যৰ গুৰুত্ব উল্লেখ কৰা।

(c) Explain the basic dimensions of HD Index under UNDP.
ৰাষ্ট্ৰসংঘৰ উন্নয়ন কাৰ্যসূচীৰ মানৱ উন্নয়ন সূচাংকৰ মূল দিশসমূহ ব্যাখ্যা কৰা।

(d) Discuss the role and responsibility of WHO in the post-COVID world.
ক'ভিদোত্তৰ বিশ্বত বিশ্ব স্বাস্থ্য সংস্থাৰ ভূমিকা আৰু দায়িত্ব আলোচনা কৰা।

*(e)* Mention the main causes of the Vietnam War.

ভিয়েটনাম যুদ্ধৰ মূল কাৰণসমূহ উল্লেখ কৰা।

*(f)* Mention the basic principles of UN Peace-keeping Mission as a tool for maintaining international peace and security.

আন্তঃৰাষ্ট্ৰীয় শান্তি আৰু সুৰক্ষা সুনিশ্চিত কৰা আহিলা হিচাপে ৰাষ্ট্ৰসংঘৰ শান্তি বৰ্তাই ৰখা কাৰ্যসূচীৰ মূল নীতিসমূহ উল্লেখ কৰা।

**4.** Answer the following questions : 10×4=40

তলত দিয়া প্ৰশ্নবোৰৰ উত্তৰ দিয়া :

*(a)* Discuss the basic principles and objectives of the UN Charter.

ৰাষ্ট্ৰসংঘৰ চনদৰ মূল নীতিসমূহ আৰু উদ্দেশ্যসমূহ আলোচনা কৰা।

*Or / অথবা*

Discuss the historical background of the formation of the UN.

ৰাষ্ট্ৰসংঘ গঠনৰ ঐতিহাসিক পটভূমি আলোচনা কৰা।

*(b)* Discuss the factors responsible for the Balkan Wars and its consequences.

বলকান যুদ্ধৰ বাবে দায়ী বিভিন্ন কাৰণসমূহ আৰু ইয়াৰ পৰৱৰ্তী ফলশ্ৰুতি বিষয়ে আলোচনা কৰা।





*Or / অথবা*

"The Americans were responsible for the escalation of the Korean War." Do you agree with this statement? Explain.

"কোৰিয়া যুদ্ধ উৰ্দ্ধগামী হোৱাৰ বাবে আমেৰিকানসকল দায়ী আছিল।" এই বক্তব্যৰ সমৰ্থন কৰানে? ব্যাখ্যা কৰা।

*(c)* Discuss the changing role of the UN in contemporary world.

সাম্প্ৰতিক বিশ্বত ৰাষ্ট্ৰসংঘৰ পৰিৱৰ্তিত ভূমিকা আলোচনা কৰা।

*Or / অথবা*

"Reforms in the UN are necessary in order to strengthen its effectiveness as a multilateral organization." Discuss.

"এটা বহুপক্ষীয় সংস্থা হিচাপে, ইয়াৰ কাৰ্যকাৰিতা শক্তিশালী কৰিবলৈ, ৰাষ্ট্ৰসংঘৰ সংস্কাৰ অপৰিহাৰ্য।" আলোচনা কৰা।

*(d)* Discuss the structures and functions of the UN General Assembly.

ৰাষ্ট্ৰসংঘৰ সাধাৰণ সভাৰ গাঁথনি আৰু কাৰ্যসমূহ আলোচনা কৰা।

*Or / অথবা*

Discuss the structures and functions of the UN Security Council.

ৰাষ্ট্ৰসংঘৰ নিৰাপত্তা পৰিষদৰ গাঁথনি আৰু কাৰ্যসমূহ আলোচনা কৰা।

★★★